নং ঃ ৭৩৫/২০২০

<u>বাঘজান অঞ্চলত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# বাঘজানবাসীৰ সৰ্বাংগীন বিকাশৰ দিশত হাতত লোৱা আঁচনিসমূহ লক্ষ্য নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰূপায়ণৰ পদক্ষেপ ল'বলৈ সংশ্লিষ্ট বিভাগসমূহক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত বাঘজান এলেকাত ৰূপায়িত হৈ থকা বিভিন্ন পুনৰ সংস্থাপনমূলক প্ৰকল্পৰ ৰূপায়ণৰ পৰ্যালোচনা কৰে। পৰ্যালোচনাকালত মুখ্যমন্ত্ৰীয়ে প্ৰকল্পসমূহৰ ৰূপায়ণৰ দায়িত্বত থকা সংশ্লিষ্ট বিভাগসমূহক লক্ষ্য নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত প্ৰকল্পসমূহ ৰূপায়ণৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে বৃহত্তৰ অঞ্চলটোৰ সকলো শ্ৰেণীৰ জনসাধাৰণ ইয়াৰ দ্বাৰা লাভান্বিত হ'ব পাৰে। উল্লেখ্য যে বাঘজান গেছ কূপত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাৰ পিছত যোৱা ১৪ জুনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে ঘটনাস্থলীলৈ গৈ কিছু সংখ্যক পদক্ষেপৰ কথা ঘোষণা কৰিছিল আৰু আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে এই ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান লয়।

উল্লেখযোগ্য যে যোৱা ২৭ মে'ত তিনিচুকীয়া জিলাৰ বাঘজানৰ গেছ কূপত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত স্থানীয় জনসাধাৰণৰ জীৱিকা তথা অন্যান্য দিশত ক্ষতিগ্ৰস্ত হৈছে। বাঘজান আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ স্থানীয় জনসাধাৰণক সকাহ প্ৰদান তথা তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে কিছু সংখ্যক ঘোষণা কৰিছিল।

মুখ্যমন্ত্ৰীয়ে বাঘজান দীঘল তৰং হাইস্কুলখনক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে উন্নীতকৰণৰ কথা ঘোষণা কৰিছিল। আজিৰ এই পৰ্যালোচনাকালত মুখ্যমন্ত্ৰীয়ে এই ঘোষণা ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়ে বুজ লয়। বৈঠকত শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে অহা শৈক্ষিক বৰ্ষৰ পৰা এই হাইস্কুলখন উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে কাৰ্যক্ষম হৈ উঠিব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। তদুপৰি বাঘজান এলেকাৰ দীঘল তৰং গেট লাইন এলপি স্কুল, ১ নং বাঘজান গাঁও এলপি স্কুল, বাঘজান গাঁও এলপি স্কুল, দীঘল তৰং এলপি স্কুল, কলিয়াপানী এলপি স্কুলৰ নৱীকৰণৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰি শিক্ষা বিভাগৰ প্ৰধান সচিবগৰাকীয়ে এই প্ৰক্ৰিয়াই যথেষ্ট অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে।

তদুপৰি বাঘজানত আৱাসিক কোৱাৰ্টাৰসহ ৩০খন বিছনাযুক্ত আদৰ্শ হাস্পতাল এখন স্থাপনৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই ইয়াৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰি থকা হৈছে বুলি কোৱাৰ লগতে হাস্পতালখনৰ আধাৰশিলা

অতি শীঘ্ৰে স্থাপন কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে। তদুপৰি তিনিচুকীয়া জিলাৰ দীঘল তৰঙত পশু চিকিৎসালয় স্থাপনৰ কামো অতিশীঘ্ৰে হাতত লোৱা হ'ব বুলি পশুপালন বিভাগৰ মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৃহত্তৰ বাঘজান এলেকাৰ যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে দক্ষতা উন্নয়ন কেন্দ্ৰ স্থাপনৰ বাবে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল। এই ঘোষণা ৰূপায়ণৰ বিষয়ে উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিবেদীয়ে সংশ্লিষ্ট পক্ষৰ সৈতে এই বিষয়ে যোগাযোগ চলাই থকা হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। এই অঞ্চলত নিয়োজন সৃষ্টি আৰু উদ্যমিতা বিকাশৰ বাবে পদক্ষেপ লৈ থকা হৈছে বুলি আয়ুক্ত সচিবগৰাকীয়ে কয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কমিউনিটি ইনভেষ্টমেণ্ট ফাণ্ড আৰু ভালনাৰেবিলিটি ৰিডাকচন ফাণ্ডৰ অধীনত অঞ্চলটোৰ আত্মসহায়ক গোটসমূহৰ সহায়ৰ বাবে এটা প্ৰকল্প আৰম্ভ কৰা হৈছে।

বয়ন শিল্পৰ জৰিয়তে সংস্থাপনৰ গতি ত্বৰান্বিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগক প্ৰকল্প ৰূপায়ণৰ বাবে নিৰ্দেশ দিয়ে। আজিৰ এই পৰ্যালোচনা বৈঠকতে মুখ্যমন্ত্ৰীয়ে গেলা পুখুৰী তিনি আলিৰ পৰা বাঘজান তিনি আলিলৈ থকা পথছোৱাৰ শক্তিশালীকৰণ তথা বাঘজান গাঁৱলৈ ৰাষ্ট্ৰীয় ঘাইপথ ৩৭ৰ উন্নীতকৰণৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। বাঘজান এলেকাৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগক গৰাখহনীয়া প্ৰতিৰোধী কাম দ্ৰুততাৰে কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বাঘজানৰ পাইপেৰে পানী যোগান আঁচনিৰ অগ্ৰগতিৰো বুজ লয়। পৰ্যালোচনাকালত মুখ্যমন্ত্ৰীয়ে তেওঁ ঘোষণা কৰা মাগুৰী-মতাপুং বিলক পৰ্যটনৰ স্থলী হিচাপে ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লৈ এই প্ৰকল্পটো যুদ্ধকালীনভাৱে সম্পন্ন কৰাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসন আৰু অসম পৰ্যটন উন্নয়ন নিগমক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, স্বাস্থ্য, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া এম এছ মনিবন্নন, লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত তথা বিশেষ সচিব ৰাজেশ কেম্প্ৰাইৰ লগতে বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৫/১১/২০২০**